**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 11-09-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

::::::::::::::::::::::::::::::::::::

১। নতুন দিল্লীৰ ভাৰত মণ্ডপমত ব্ৰীকচ ব্যসায়িক মঞ্চৰ নেতাসকলৰ আলোচনা সত্ৰ চলি আছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাচিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনে আজি বিভিন্ন ক্ষেত্ৰত থকা দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ সন্দৰ্ভত পৰ্যালোচনা বৈঠকত মিলিত হয়।

৩। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে ভাৰতে দায়বদ্ধতা, সুৰক্ষা আৰু জনসাধাৰণৰ আস্থাৰ ক্ষেত্ৰত কোনো ধৰণৰ বুজাবুজি নকৰাকৈ প্ৰযুক্তিগত উদ্ভাৱনৰ ক্ষেত্ৰত আগুৱাই যাব লাগিব।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা সেৱাৰ কেইবাদশক হোৱা উপলক্ষে হাৰিয়ানাত শ্ৰীমোদীৰ জন্মদিন উপলক্ষে ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈকে সেৱা সংকল্প অভিযান চলোৱা হ'ব। *অ/ৰু*

৫। চীনৰ ম'কিত অনুষ্ঠিত জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰত ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত ব্ৰীকচ ব্যসায়িক মঞ্চৰ নেতাসকলৰ আলোচনা সত্ৰ চলি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিন, ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন, আৰু দক্ষিণ আফ্ৰিকাৰ ৰাষ্ট্ৰপতি চিৰিল ৰামফোছাকে ধৰি ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলেও এই আলোচনাত ভাগ লৈছে। অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে কয়, যে ভাৰতৰ নেতৃত্বত ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত ব্যৱসায়িক ভাৰসাম্যতা বৃদ্ধি কৰাৰ লগতে উদ্যোগিক প্ৰসাৰৰ বাবে এই ৰাষ্ট্ৰগোষ্ঠীয়ে এটা নিৰ্দিষ্ট লক্ষ্য লৈ আগবাঢ়িছে। তেওঁ কয়, যে ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীসমূহৰ ৰপ্তানীৰ পৰিমাণ ২০০৩ চনৰ ৯০০ মিলিয়ন আমেৰিকান ডলাৰৰ বিপৰীতে ২০২৪ চনত এই ৰপ্তানিৰ পৰিমাণ ৬ ট্ৰিলিয়ন আমেৰিকান ডলাৰলৈ বৃদ্ধি পাইছে। তেঁও কয় যে এই সফলতাই ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ বজাৰ আৰু সম্ভাৱনীয়তাকে প্ৰতিফলিত কৰিছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ভাৰত, ব্ৰীকচ অৰ্থব্যৱস্থা গঢ়ি তোলা ৰাষ্ট্ৰসমূহে যাতে এই সহযোগিতা লাভ কৰে সেইটো সুনিশ্চিত কৰাৰ বাবে দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ কয় যে এই সহযোগিতাই কৃষকসকলক লাভান্বিত কৰাৰ লগতে ব্যৱসায়ৰ ক্ষেত্ৰত মহিলাসকলক সৱল কৰি তোলাৰ লগতে যুৱ উদ্যোগী আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক নতুন সুযোগ প্ৰদান কৰিব লাগিব। শ্ৰীগোৱেলে কয় যে এইবাৰৰ ব্ৰীকচ ব্যৱসায়িক মঞ্চ সৰ্ববৃহৎ সন্মিলন হিচাপে পৰিগণিত হৈছে কিয়নো এইবাৰ এই সন্মিলনত বিভিন্ন সদস্য ৰাষ্ট্ৰ, বন্ধুৰাষ্ট্ৰৰ ২ হেজাৰকৈ অধিক আগশাৰীৰ ব্যৱসায়িক নেতৃত্ব, প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাচিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনে আজি ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰতিৰক্ষা, শক্তি, মহাকাশ, দক্ষতা বিকাশ, আদি বিভিন্ন ক্ষেত্ৰত থকা দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতিৰ সন্দৰ্ভত পৰ্যালোচনা বৈঠকত মিলিত হয়। নতুন দিল্লীত অনুষ্ঠিত দ্বিপাক্ষিক আলোচনাত নেতা দুগৰাকীয়ে পশ্চিম এছিয়াৰ সংঘাত, ব্লেক চিৰ আদি বিভিন্ন আঞ্চলিক আৰু আন্তৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত নিজৰ মত ব্যক্ত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দোহাৰে যে আলোচনা আৰু কূটনৈতিক সম্পৰ্কৰ জৰিয়তে সংঘাত পুনৰ সমাধান কৰিব পৰা যায়। শান্তি প্ৰক্ৰিয়া স্থাপনৰ এই প্ৰচেষ্টাত ভাৰত সদায় সাজু  বুলি উল্লেখ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বক্তব্যত কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি পুটিনে ৰাছিয়াৰ আন্তঃৰাষ্ট্ৰীয় ঔদ্যোগিক প্ৰদৰ্শনী **ইন্নোপ্ৰম ভাৰত**ক আদৰণি জনায়। ভাৰতক প্ৰথমবাৰৰ বাবে যোৱা ৯ ছেপ্তেম্বৰৰ পৰা এই প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। ৰাষ্ট্ৰপতি পুটিনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ২৪ সংখ্যক ভাৰত ৰাছিয়া বাৰ্ষিক সন্মিলত ভাগ লোৱাৰ বাবে ৰাছিয়ালৈ আমন্ত্ৰণ জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে পুটিনৰ এই আমন্ত্ৰণ গ্ৰহণ কৰে। শ্ৰীমোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনক এখন তামিল কবিতা পুথি থিৰুক্কুৰালৰ ৰাছিয়ালৈ কৰা অনুবাদিত সংস্কৰণৰ প্ৰতিলিপি উপহাৰ দিয়ে।

oooo

ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ন আজি ব্ৰীকচ শীৰ্ষ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে নতুন দিল্লীত উপস্থিত হৈছে। বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ বিভাগৰ ৰাজ্য মন্ত্ৰী শান্তনু
ঠাকুৰে শ্ৰীপেজেস্কিয়নক আদৰণি জনায়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে ভাৰত আৰু ইৰাণৰ মাজত সাংস্কৃতিক সমন্বয়ৰ লগতে দেশ দুখনৰ জনসাধাৰণৰ মাজতো বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। ইজিপ্তৰ ৰাষ্ট্ৰপতি আব্দেল ফাতেহ অল চিচিক আজি বিয়লি নতুন দিল্লীত প্ৰতিৰক্ষা বিভাগৰ ৰাজ্যমন্ত্ৰী সঞ্জয় শেঠে বিমানবন্দৰত আদৰণি জনায়। অষ্টাদশ ব্ৰীকচ সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে নাইজেৰিয়াৰ উপৰাষ্ট্ৰপতি কাচিম চেত্তিমা নতুন দিল্লীত উপস্থিত হৈছে। শ্ৰীজয়ছোৱালে কয়, যে ভাৰত আৰু নাইজেৰিয়াৰ মাজত দীৰ্ঘদিনীয়া বন্ধুত্বমূলক সম্পৰ্ক আছে আৰু উপৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে দেশ দুখনৰ মাজৰ বন্ধুত্বমূলক সম্পৰ্কক আৰু অধিক সুদৃঢ় কৰিব।

oooo

কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে চীনৰ ৰাষ্ট্ৰীয় পেট্ৰলিয়াম নিগমৰ অধ্যক্ষ দাই হৌলিয়াঙৰ সৈতে আলোচনাত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয়, যে ভাৰত আৰু চীন বিশ্বৰ সৰ্বাধিক শক্তি উপভোক্তা আৰু আমদানিকাৰী দেশ হিচাপে শক্তিৰ বজাৰৰ সুস্থিৰতাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰে। তেওঁ লগতে কয় যে ভৱিষ্যতৰ গোলকীয় তৈলৰ চাহিদাৰ ক্ষেত্ৰত শক্তিৰ প্ৰয়োজনীয়তাই বিশেষ তাৎপৰ্য বহন কৰে।

oooo

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে ভাৰতে দায়বদ্ধতা, সুৰক্ষা আৰু জনসাধাৰণৰ আস্থাৰ ক্ষেত্ৰত কোনো ধৰণৰ বুজাবুজি নকৰাকৈ প্ৰযুক্তিগত উদ্ভাৱনৰ ক্ষেত্ৰত আগুৱাই যাব লাগিব। গ্লোবেল ফিনটেক ফেষ্টিভেল ২০২৬ ত সম্বোধন কৰি শ্ৰীমতী সীতাৰমনে কয় যে দেশৰ যুৱ প্ৰজন্ম সুযোগৰ বাবে অপেক্ষা কৰা নাই, ইয়াৰ পৰিৱৰ্তে মঞ্চ, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু নতুন সমাধানৰ সৃষ্টি কৰিছে। দেশৰ দ্ৰুতগতিত বৃদ্ধি পোৱা পৰিবেশ তন্ত্ৰত দেশৰ জনগাথনিগত লাভাংশ দৃশ্যমান হৈছে বুলি তেঁও উল্লেখ কৰে। শ্ৰীমতী সীতাৰমনে  দেশৰ জনগাথনিগত লভ্যাংশক

নিৰাশাবাদৰ দৃষ্টিৰে চোৱা লোকসকলক তেওঁ প্ৰশ্ন উত্থাপন কৰে। বৰ্তমানৰ উদ্ভাসিত প্ৰযুক্তিয়ে সৃষ্টি কৰা প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোকপাত কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাক দুয়োফালে ধাৰ থকা তৰোৱাল বুলি অভিহিত কৰে। তেওঁ কৃত্ৰিম বুদ্ধিমত্তাই জালিয়াতি দ্ৰুতভাৱে ধৰা পেলোৱাত সহায় কৰাৰ লগতে অপৰাধীসকলেও কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত অধিক জালিয়াতি কৰিবলৈ সক্ষম বুলি উল্লেখ কৰে। তেওঁ কৃত্ৰিম বুদ্ধিমত্তাৰ বিকাশ আৰু ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰতিষ্ঠানিক দায়বদ্ধতাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে ইয়াৰ উপৰিও তেওঁ শক্তিশালী চাইবাৰ সুৰক্ষা, তথ্য সুৰক্ষা, গ্ৰাহক সুৰক্ষা আৰু নিয়ন্ত্ৰক আৰু উদ্ভাৱকৰ মাজৰ সহযোগিতাৰ আহ্বান জনায়। বিত্তমন্ত্ৰীগৰাকীয়ে দেশৰ ফিনটেক খণ্ডৰ সফলতা কেৱল লেনদেন আৰু মূল্যায়নৰ দ্বাৰাই নহয়, ইয়াৰ পৰা উপাৰ্জন কৰা আস্থা আৰু ইয়াৰ সমাধান কৰা সমস্যাৰ দ্বাৰাও জুখিব পাৰি।

০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে আজি কংগ্ৰেছক সমালোচনা কৰি কয় যে কংগ্ৰেছৰ শাসনকালত ভাৰত বিশ্বৰ দুৰ্বল অৰ্থনীতিৰ ৫ খন ৰাষ্ট্ৰৰ ভিতৰত অন্যতম ৰাষ্ট্ৰ আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৰ্তমান ভাৰত বিশ্বৰ শীৰ্ষ ৫ খন অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হোৱাৰ লগতে ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ অন্যতম সম্ভাৱনাপূৰ্ণ স্থান হিচাপে পৰিগণিত হৈছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত বিজেপিৰ সাংসদ ৰবীশংকৰ প্ৰসাদে ব্ৰীকচ শীৰ্ষ সন্মিলনৰ পৰা ভাৰতে কেনেদৰে লাভান্বিত হ'ব বুলি প্ৰশ্ন উত্থাপন কৰাৰ বাবে কংগ্ৰেছক সমালোচনা কৰে। তেওঁ কংগ্ৰেছৰ শাসনকালত দেশৰ পৰিস্থিতি আৰু ব্ৰীকচ ৰাষ্ট্ৰগোষ্ঠীৰ ভাৰতৰ কি স্থান আছিল সেই সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয়, যে কংগ্ৰেছৰ শাসনকালত ভাৰতৰ ওপৰত থকা বিশ্বৰ আত্মবিশ্বাস হ্ৰাস পাইছিল, মুদ্ৰাস্ফীতি বৃদ্ধি পাইছিল আৰু কোনো ধৰণৰ নীতি নথকাৰ বাবে দুৰ্নীতি বৃদ্ধি পাইছিল। বিজেপিৰ মুখপাত্ৰগৰাকীয়ে গোলকীয় প্ৰত্যাহ্বান সত্তেও ভাৰতৰ অৰ্থব্যৱস্থা ৭ দশমিক ৮ শতাংশ বৃদ্ধি হোৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে ভাৰতক প্ৰশংসা কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা সেৱাৰ কেইবাদশক হোৱা উপলক্ষে হাৰিয়ানাত শ্ৰীমোদীৰ জন্মদিন উপলক্ষে ১৭ ছেপ্তেম্বৰৰ পৰা ১৭ অক্টোবৰলৈকে সেৱা সংকল্প অভিযান চলোৱা হ'ব। পঞ্চকুলাত আজি এখন সংবাদমেলত মুখ্যমন্ত্ৰী নায়াব সিং চৈনীয়ে কয় যে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত শ্ৰীমোদীৰ ঐতিহাসিক যাত্ৰাক জনসাধাৰণৰ মাজত লৈ যোৱাৰ উদ্দেশ্যে তথা বিকশিত ভাৰতৰ কসংকল্পত জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ উদ্দেশ্যে এই অভিযান চলোৱা হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে অহা ৭ অক্টোবৰত ৰাজহুৱা সেৱা ২৫ বছৰ সম্পূৰ্ণ কৰিব। উল্লেখযোগ্য যে তেওঁ ২০০১ চনৰ ৭ অক্টোবৰত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীৰ যুৱ প্ৰজন্মৰ সৱলীকৰণ, উদ্ভাৱন, স্বনিৰ্ভৰ আৰু উদ্যমশীলতাৰ সাফল্যক তেওঁ উল্লেখ কৰে। ইয়াৰ উপৰিও সমগ্ৰ দেশতে ষ্টাৰ্ট আপৰ সংখ্যা বৃদ্ধি আৰু মেক ইন ইণ্ডিয়াৰ জৰিয়তে দেশৰ নিৰ্মাণ আৰু উৎপাদনখণ্ডত যুৱ প্ৰজন্মৰ বাবে নতুন সুবিধা সৃষ্টি কৰি ষ্টাৰ্টআপ খণ্ড বিশ্বৰ তৃতীয় অৰ্থব্যৱস্থাৰ দেশ হিচাপে ভাৰতক গঢ়ি তুলিছে বুলি প্ৰকাশ কৰে।

০০০০

চীনৰ ম'কিত অনুষ্ঠিত জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰত ফাইনেলত প্ৰৱেশ কৰিছে। আজি প্ৰথমখন ছেমি ফাইনেলত  ভাৰতে মালয়েছিয়াক ৩-১ গলত পৰাস্ত কৰে। ভাৰতীয় দলৰ অধিনায়ক অনমোল এক্কাই দুটা গল কৰাৰ লগতে সুখবিন্দৰে এটা গল কৰে।

এই প্ৰতিযোগিতাত ৫ বাৰৰ চেম্পিয়ন ভাৰতে পুল এৰ অন্তিমখন খেলত চীনা টাইপেক ১৫-০ গ'লত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছিল। মহিলাৰ দলটোৱে কাইলৈ ছেমিফাইনেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব।

০০০০

ঃঃ সমাপ্ত ঃঃ